3 (Sem–3/CBCS) ASM HC 3

**2024**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–3036

**( Asomor Sanskriti )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) Folklore শব্দটোৰ 'Folk'-ৰ অসমীয়া অৰ্থ লিখা।

(খ) *History and Civilization of the People of Assam* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(গ) 'সংস্কৃতি পৰিৱৰ্তনশীল'—কথাষাৰ সত্যনে?

(ঘ) 'দখনা' কোন জনগোষ্ঠীয়ে পৰিধান কৰা বস্ত্ৰ?

(ঙ) 'ফাৰকান্তি' অসমৰ কোনটো জনগোষ্ঠীৰ লোকনৃত্য?

(চ) অৰুণাচল প্ৰদেশত বাস কৰা এটা জনজাতিৰ নাম লিখা।

(ছ) ‘হুদুমদেও নৃত্য’ অসমৰ কোন অঞ্চলত প্ৰচলিত লোকনৃত্য ?

(জ) অসমীয়া মহিলাই ডিঙিত পিন্ধা এবিধ পৰম্পৰাগত অলঙ্কাৰৰ নাম লিখা।

(ঝ) অসমত প্ৰচলিত এবিধ লোকক্ৰীড়াৰ নাম লিখা।

(ঞ) প্ৰাচীন কামৰূপত ৰচনা কৰা ‘হস্তায়ুৰ্বেদ’ পুথিখনৰ ৰচক কোন আছিল ?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) লোকসংস্কৃতিৰ দুটা ভাগ উল্লেখ কৰা।

(খ) ‘সোণাৰায় পূজা’ত প্ৰকৃততে কাক পূজা কৰা হয় ? এই পূজা অসমৰ কোন জনগোষ্ঠীয়ে কৰে ?

(গ) অসমৰ দুটা ঋতুকালীন উৎসৱৰ নাম লিখা।

(ঘ) অসমৰ যি কোনো দুটা ধৰ্মীয় পৰম্পৰাৰ নাম উল্লেখ কৰা।

(ঙ) আহোম যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত লিখা দুখন সচিত্ৰ পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা বিষয়ৰ চমু টোকা লিখা : ৫×৪=২০

(ক) অসমীয়া খাদ্যসম্ভাৰত মুছলমানৰ অৱদান

(খ) অসমীয়া গৃহ নিৰ্মাণ পদ্ধতি

(গ) জিকিৰ গীতত বৈষ্ণৱ পৰম্পৰা

(ঘ) অসমীয়া পৰম্পৰাগত গহনা-গাঁঠৰি

(ঙ) অসমীয়া সংস্কৃতিত জেতুকা

(চ) অসমৰ শৈৱ ধৰ্ম পৰম্পৰা

৪। তলত দিয়া যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰা।

(খ) বিভিন্ন নৃগোষ্ঠীয় উপাদানৰ সমাহাৰত কেনেকৈ অসমীয়া জাতি গঠন হৈছে, বহলাই আলোচনা কৰা।

(গ) 'অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি'—শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) সামাজিক লোকাচাৰ বুলিলে কি বুজা? অসমীয়া সমাজৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে আলোচনা কৰা।

(ঙ) অসমৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া সংস্কৃতিলৈ চাহ জনগোষ্ঠীৰ অৱদান সম্পৰ্কে বিতংকৈ লিখা।

(ছ) 'অসমৰ খেল-ধেমালি : পৰম্পৰা আৰু পৰিবৰ্তন'—শীৰ্ষক এটি সমালোচনামূলক প্ৰবন্ধ প্ৰস্তুত কৰা।

(জ) আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ বিষয়ে আলোচনা কৰা।

★★★